# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 08-02-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ প্ৰগতিয়ে মালয়েছিয়া আৰু এছিয়াৰ বিকাশত অৰিহণা যোগাই বুলি মন্তব্য কৰিছে।

২। চিচিলিৰ ৰাষ্ট্ৰপতি পেট্ৰিক হৰ্মিনী কালি পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে মুম্বাইত উপস্থিত হয়।

৩। মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক’ অঞ্চলৰ মিনশ্বিংগাতৰ কয়লা খনিত  উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে।

৪। মণিপুৰৰ অৰ্থনীতি পুনৰ উজ্জীৱিত কৰাৰ বাবে ৰাজ্যত সংহত কৃষি ব্যৱস্থা প্ৰৱৰ্তনৰ উদ্দেশ্যে কালি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়।

*আৰু*

৫। টি-টুৱেণ্ট বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰক ২৯ ৰানত পৰাজিত কৰে।

ooooo

সম্প্ৰতি দুদিনীয়া ভ্ৰমণসূচীৰে মালয়েছিয়াত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱানিশা কোৱালালামপুৰৰ Mines Exibition & Convection Centreত আয়োজিত এটা অনুষ্ঠানত দেশখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলক উদ্দেশ্যি ভাষণ দিয়ে। প্ৰায় ১৫ হাজাৰ লোকৰ এই সমাৱেশত ভাষণ দি শ্ৰীমোদীয়ে ভাৰত আৰু মালয়েছিয়াৰ মাজৰ গভীৰ সম্পৰ্কৰ বিষয়ে আলোকপাত কৰে আৰু প্ৰৱাসী ভাৰতীয়সকলক দুয়োখন দেশক হৃদয়েৰে সংযুক্ত কৰা জীৱন্ত সেঁতু বুলি অভিহিত কৰে। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহীমৰ সৈতে থকা নিজৰ পুৰণি বন্ধুত্বৰ কথা সুঁৱৰী শ্ৰীমোদীয়ে কয়, যে তেওঁ যোৱা বছৰ আছিয়ান শীৰ্ষ সন্মিলনত ভাগ ল'ব নোৱাৰাৰ পাছত মালয়েছিয়া ভ্ৰমণলৈ অহাৰ প্ৰতিশ্ৰুতি দিছিল আৰু এতিয়া সেই প্ৰতিশ্ৰুতি পূৰণ হ'ল। ভাৰত আৰু মালয়েছিয়াই ২০২৪ বৰ্ষত দুয়ো দেশৰ মাজত সম্পৰ্ক কৌশলগত সম্পৰ্কলৈ উন্নীত কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে  উভয় দেশে হাতত হাত ধৰি আগবাঢ়ি গৈছে পৰস্পৰৰ সফলতা উদযাপন কৰি আহিছে। ভাৰতৰ প্ৰগতিয়ে মালয়েছিয়া আৰু এছিয়াৰ বিকাশত অৰিহণা যোগাই বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। অৰ্থনৈতিক সহযোগিতাত গুৰুত্ব আৰোপ কৰি শ্ৰীমোদীয়ে কয়, যে শতাধিক ভাৰতীয় তথ্য প্ৰযুক্তি কোম্পানীয়ে মালয়েছিয়াত কাম কৰি আছে আৰু ইয়াৰ ফলত দেশখনত কৰ্মসংস্থাপনৰ ন ন সুযোগ সৃষ্টি হৈছে। মালয়েছিয়াত শীঘ্ৰে ভাৰতৰ ডিজিটেল ধনাদায় মঞ্চ ইউ পি আই মুকলি কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে। প্ৰৱাসী ভাৰতীয়সকলৰ বাবে

আৰম্ভ কৰা গুৰুত্বপূৰ্ণ উদ্যমৰ বিষয়ে ঘোষণা কৰি শ্ৰীমোদীয়ে কয়, যে Overses Citizen of India কাৰ্ডৰ সুবিধা ষষ্ঠ প্ৰজন্মলৈ সম্প্ৰসাৰিত কৰা হৈছে। তেওঁ লগতে ভাৰতত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ বাবে টিৰুভেল্লুৰৰ ছাত্ৰবৃত্তি প্ৰৱৰ্তন কৰা আৰু মালয়েছিয়াত এটা নতুন ভাৰতীয় বাণিজ্য দূতাৱাস খোলাৰ কথা ঘোষণা কৰে।

ooooo

মালেয়েছিয়াৰ কুৱালালামপুৰত প্ৰৱাসী ভাৰতীয়সকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰত আৰু মালয়েছিয়াৰ মাজত ঐতিহাসিক আৰু সাংস্কৃতিক সম্পৰ্ক আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা এই মন্তব্য সামাজিক মাধ্যমৰ এটা পোষ্টত উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে উল্লেখ কৰি কয়, যে মালয়েছিয়াত থকা প্ৰৱাসী ভাৰতীয়সকলে দুয়োখন দেশৰ মাজত এখন জীৱন্ত সেঁতু গঢ়ি তোলাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে। ভাৰতীয় সভ্যতাৰ উত্তৰাধিকাৰ প্ৰতিফলিত কৰাৰ প্ৰতিশ্ৰুতিৰে আৰু তামিল ঐতিহ্য উদযাপন কৰাৰ বাবে থিৰুভাল্লুভাৰ কেন্দ্ৰ স্থাপনৰ ঘোষণা শ্ৰীমোদীয়ে আদৰণি জনোৱা বিষয়টো উপ ৰাষ্ট্ৰপতিগৰাকীয়ে আলোকপাত কৰে। উপ ৰাষ্ট্ৰপতি শ্ৰীৰাধাকৃষ্ণণে কয়, যে এনে পদক্ষেপে দুয়ো দেশৰ মাজত সাংস্কৃতিক বান্ধোন শক্তিশালী কৰাৰ লগতে আমাৰ চহকী ঐতিহ্যক সমগ্ৰ বিশ্বতে সম্প্ৰসাৰিত কৰিব।

ooooo

চিচিলিৰ ৰাষ্ট্ৰপতি পেট্ৰিক হৰ্মিনী আৰু তেওঁৰ পত্নী ভেৰোনিক হৰ্মিনী কালি পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে মুম্বাইত উপস্থিত হয়। ৰাষ্ট্ৰপতিগৰাকীয়ে ইয়াৰ পাছতে কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে আৰু ভাৰতীয় উদ্যোগ পৰিসংঘই আয়োজন কৰা ভাৰত-চিচিলি ব্যৱসায়িক ঘূৰণীয়া মেজমেলত ভাগ লয়।

মেজমেলত ৰাষ্ট্ৰপতি হৰ্মিনীয়ে কয়, যে বিগত ৫০ বছৰত দুয়োদেশৰ মাজৰ সম্পৰ্ক সুদৃঢ় হৈছে বুলি তেওঁৰ দেশ এই সহযোগিতা সম্প্ৰসাৰিতা কৰিবলৈ আগ্ৰহী। তেওঁ কয়, যে চিচিলিয়ে বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰ দেশ হিচাপে ভাৰতক সন্মান কৰে। মেজমেলত ভাগ লৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে দুয়োখন দেশ বিশ্বাসযোগ্য সহযোগিতাৰ ডোলেৰে বন্ধা আৰু জনসম্পৰ্ক তথা সামুদ্ৰিক সম্পৰ্ক এই সহযোগিতাৰ মূল ভেঁটি স্বৰূপ। বিগত সময়ছোৱাত এই সহযোগিতা স্বাস্থ্যসেৱা, শিক্ষা, সামুদ্ৰিক সুৰক্ষা আৰু দুৰ্যোগ ব্যৱস্থাপনা ক্ষেত্ৰলৈ সম্প্ৰসাৰিত হোৱা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰীসোণোৱালে কয়, যে দুয়োখন দেশৰ মাজত বৰ্ধিত ব্যৱসায়, ভাৰতীয় বিনিয়োগ, মুম্বাই আৰু মাহেৰ মাজত পোনপটীয়া যোগাযোগ আৰু ভাৰতৰ বন্দৰ আধাৰিত বিকাশ উদ্যমসমূহে অৰ্থনৈতিক আৰু কৌশলগত সহযোগিতাৰ বাবে নতুন সুযোগ সৃষ্টি কৰিছে। মেজমেলত চিচিলিৰ বিদেশ আৰু প্ৰৱাসী বিভাগৰ মন্ত্ৰী মন্ত্ৰী বেৰী ফ'ৰ আৰু বিত্ত, অৰ্থনৈতিক পৰিকল্পনা, বাণিজ্য তথা বিনিয়োগ মন্ত্ৰী পিয়েৰী লাপৰ্টৰ লগতে দুয়ো দেশৰ কেইবাগৰাকীও বিশিষ্ট ব্যৱসায়ী উপস্থিত থাকে।

ooooo

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতৰ কয়লা খনিত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, বিশেষ উদ্ধাৰকাৰী দল, আৰক্ষী আৰু জিলা প্ৰশাসনৰ কেইবাটাও দলক উদ্ধাৰ অভিযানত নিয়োগ কৰা হৈছে। উদ্ধাৰ অভিযানৰ সময়ত কালি আৰু দুজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হয়। ইয়াকে লৈ বিস্ফোৰণৰ ফলত পাহাৰ খহি পৰাৰ ফলত মৃত্যু হোৱা শ্ৰমিকৰ সংখ্যা ২৭ লৈ বৃদ্ধি পাইছে। বিস্ফোৰণৰ ফলত বেয়াকৈ ক্ষতিগ্ৰস্ত খনন স্থানত তন্নতন্নকৈ তালাচী চলোৱা

হৈছে আৰু খনিৰ ভিতৰত যাতে কোনো লোক আবদ্ধ হৈ থকা নাই তাক নিশ্চিত কৰাৰ বাবে আজি পুৰা পুনৰ অভিযান চলোৱা হ'ব। ইপিনে, পূব জয়ন্তীয়া পাহাৰ জিলা প্ৰশাসনে অবৈধ খননৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। এই অভিযানৰ বাবে কাৰ্যবাহী দণ্ডাধীশ, আৰক্ষী আৰু খনিজ সম্পদ সঞ্চালকালয় বিষয়াক লৈ গঠিত ৫টা দল নিয়োগ কৰা হৈছে। দল কেইটাই চলোৱা অভিযানৰ সময়ত উমলাৰাঙৰ অন্তৰ্গত ৯টা স্থানৰ প্ৰায় ৩ হাজাৰ ১৯৭ মেট্ৰিক টন  আৰু উমথেৰ অন্তৰ্গত চাৰিটা স্থানৰ পৰা ৩৫১ মেট্ৰিক টন কয়লা জব্দ কৰা হৈছে। যোৱা ফেব্ৰুৱাৰীত চলোৱা একে ধৰণৰ অভিযানত ছ্খেইন- থাংস্কক' সংযোগী পথৰ দুয়োপাৰৰ ৮টা স্থানৰ পৰা আহিলাপাতিসহ ৩ হাজাৰ ৩৫৬ মেট্ৰিক টন কয়লা জব্দ কৰা হৈছিল। ইয়াৰোপৰি অবৈধ খননৰ বাবে ব্যৱহাৰ কৰা কেইবাটাও অস্থায়ী শিৱিৰ চিনাক্ত কৰা হৈছে আৰু অবৈধখনন নিয়ন্ত্ৰণ অভিযানৰ সময়ত এনে শিৱিৰসমূহ নষ্ট কৰা হৈছে। অবৈধ খননৰ ঘটনা সংক্ৰান্তত কেইবাখনো এজাহাৰ ৰুজু কৰা হৈছে আৰু পৰৱৰ্তী আইনী ব্যৱস্থা অব্যাহত আছে। পূব জয়ন্তীয়া পাহাৰ জিলাৰ দণ্ডাধীশে জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে অবৈধ খনন বিৰোধী অভিযান সুচল কৰি তোলাৰ স্বাৰ্থত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত নিষেধাজ্ঞাও জাৰি কৰিছে।

ooooo

মণিপুৰৰ অৰ্থনীতি পুনৰ উজ্জীৱিত কৰণৰ বাবে ৰাজ্যত সংহত কৃষি ব্যৱস্থাৰ ব্যাপক প্ৰচলনৰ উদ্দেশ্যে কালি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। ইম্ফলৰ সচিবালয়ৰ কেবিনেট হ'লত অনুষ্ঠিত এই বৈঠকত ৰাজ্যখনত মুখ্যমন্ত্ৰী য়ুমনাথ খেমচান্দ সিঙে অধ্যক্ষতা কৰে।

এই বৈঠকৰ সময়ছোৱাত মুখ্যমন্ত্ৰী শ্ৰীসিঙে পাহাৰীয়া জিলাসমূহত অন্যান্য শস্যৰ লগতে বিকল্প খেতিৰ প্ৰচলনৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। এই বৈঠকতে ৰাজ্যখনৰ উৎপাদিত কৃষি আৰু উদ্যান শস্যজাত সামগ্ৰী ৰপ্তানী কৰাৰ ক্ষেত্ৰতো আলোকপাত কৰা হয়। সংহত কৃষি ব্যৱস্থাৰ জৰিয়তে ৰাজ্যৰ অৰ্থনীতি পুৰুজ্জীৱিত কৰাৰ লগতে কৃষি আৰু উদ্যান শস্যক উৎপাদনত গুৰুত্ব আৰোপ কৰাই আছিল এই পৰ্যালোচনা বৈঠকৰ মূল উদ্দেশ্যে। মুখ্যমন্ত্ৰীৰ এই নিৰ্দেশনাই ৰাজ্যখনৰ অৰ্থনীতি পুনৰুদ্ধাৰ কৰিব পাৰে বুলি আশা কৰা হৈছে। এই পৰ্যালোচনাক বৈঠকত ৰাজ্যৰ মুখ্য সচিব- ডঃ পুনিত কুমাৰ গোৱেল, অতিৰিক্ত মুখ্য সচিব বিবেক কুমাৰ দেৱানগন, মুখ্যমন্ত্ৰীৰ আয়ুক্ত, উদ্যান শস্য আৰু ভূমি সংৰক্ষণ বিভাগৰ সঞ্চালক তথা কৃষি আৰু অন্যান্য বিভাগৰ সঞ্চলকসকল উপস্থিত থাকে।

ooooo

মুম্বাইৰ ৱাংখাড়ে ষ্টেডিয়ামত কালি অনুষ্ঠিত পুৰুষৰ টি-টুৱেণ্ট বিশ্বকাপ প্ৰতিযোগিতাৰ তৃতীয়খন খেলত ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰক ২৯ ৰানত পৰাজিত কৰে। জয়ৰ বাবে ভাৰতে নিৰ্ধাৰণ কৰি দিয়া ১৬২ ৰানৰ বিপৰীতে আমেৰিকাই নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেট হেৰুৱাই মাত্ৰ ১৩২ ৰানহে কৰিববলৈ সমৰ্থ হয়। আমেৰিকাৰ হৈ শুভম ৰঞ্জনে আৰু সঞ্জয় কৃষ্ণমূৰ্তিয়ে সৰ্বাধিক ৩৭ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ মহম্মদ ছিৰাজে তিনিটা উইকেট আৰু অৰ্শদ্বীপ সিঙে দুটা উইকেট দখল কৰে।

টছত জিকি আমেৰিকাই প্ৰথমে বলিং কৰিববলৈ সিদ্ধান্ত লয়। ভাৰতে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৬১ ৰান কৰে। সূৰ্য কুমাৰ যাদৱে ৪৯টা বলত অপৰাজিত ৮৪ ৰানৰ বৰঙণি আগবঢ়ায়। তিৰল বাৰ্মাই ২৫ আৰু ঈশান কিষানে ২০ ৰানৰ বৰঙণি আগবঢ়ায়। আমেৰিকাৰ শাদলী ৰেন শাল্কৰিকে ৪ উইকেট দখল

কৰে। সূৰ্য কুমাৰ যাদৱক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়। কলকাতাৰ ইডেন গাৰ্ডেনত অনুষ্ঠিত দ্বিতীয়খন খেলত ৱেষ্ট ইণ্ডিজে স্কটলেণ্ডক ৩৫ ৰানত পৰাস্ত কৰে।

ooooo

**সমাপ্ত**